[২০১০] ২ এছ.চি.আৰ. ৫৭৪

ৰাজু আৰু অন্যান্য

-বনাম-

হাৰিয়ানা ৰাজ্য চৰকাৰ

(ফৌজদাৰী আপীল নং ২৮১/২০০৯)

১০ফেব্ৰুৱাৰী, ২০১০

[**ন্যায়াধীশ আলটামাছ্ কবিৰ আৰু ন্যায়াধীশ স্বতন্তেৰ কুমাৰ**]

দণ্ডবিধি, ১৮৬০- ধাৰা৩০২/৩৪- হত্যা- সহ অভিযুক্তৰ সৈতে আপীলকাৰী অভিযুক্তৰ বিচাৰ- আক্ৰমণত সহ অভিযুক্ত অস্ত্ৰধাৰী আছিল, আনহাতে আপীলকাৰী অভিযুক্তজন নিৰস্ত্ৰ আছিল- পূৰ্বতে মহিলাৰ সৈতে মৃতকৰ অসৎ আচৰণৰ ফলস্বৰূপে ঘটনাটো সংঘটিত হৈছিল- আপীলকাৰীক ধাৰা ৩০২ আৰু ৩৪-ত নিম্ন আদালতৰ দ্বাৰা দোষীসাব্যস্ত কৰে- যাবজ্জীৱন কাৰাদণ্ডৰ শাস্তি- আপীলত উপস্থাপন কৰা হয়: উমৈহতীয়া উদ্দেশ্যৰ ভিত্তিত সহ-অভিযুক্তৰ সৈতে আপীলকাৰী অভিযুক্তৰ হত্যাৰ অভিযোগ প্ৰমাণিত হোৱা নাই - ৩০২/৩৪ ধাৰাত দোষী সাব্যস্ত হোৱাটো গ্ৰহনযোগ্য নহয়- অভিযুক্তকৰণৰ পৰিৱৰ্তে ধাৰা৩৪ৰ সৈতে ধাৰা ৩০৪(খণ্ড I)ৰ অধীনত দোষী সাব্যস্ত কৰা হয়- ২নং আপীলকাৰীৰ শাস্তি দুবছৰলৈ সলনি কৰা হৈছে- ১নং আপীলকাৰী, যিহেতু এজন কিশোৰ, তেওঁৰ গোচৰ জুভেনাইল জাস্তিচ (কিশোৰ ন্যায়) বোৰ্ড লৈ প্ৰেৰণ কৰা হয়- জুভেনাইল

জাস্তিচ(কেয়াৰ এন্দ প্ৰতেক্সন অফ ছিলদ্ৰেন),আইন ২০০০ [কিশোৰ ন্যায়(যত্ন আৰু শিশু সুৰক্ষা)আইন,২০০০]– উপধাৰা১৫ আৰু ২০।

এজন ব্যক্তিৰ মৃত্যুৰ কাৰণ সন্দৰ্ভত আপীলকাৰী–অভিযুক্ত দুজন লগতে অন্য দুজন সহ অভিযুক্তৰ বিৰুদ্ধে ধাৰা ৩০২/৩৪ ৰ অধীনত গোচৰ ৰুজু কৰা হৈছিল। বিচাৰৰ গোচৰটো আছিল যে, মৃতকে এখন বিবাহ অনুষ্ঠানত মহিলা সকলৰ লগত অসৎ আচৰণ কৰিছিল আৰু সেই ঘটনাৰ পৰিণতিত অভিযুক্তই মৃতকক আক্ৰমণ কৰে। সহ অভিযুক্ত কেইজন চুৰীৰে সজ্জিত হোৱাৰ বিপৰীতে আপীলকাৰী–অভিযুক্ত নিৰস্ত্ৰ আছিল। সহ অভিযুক্তৰ এজনক নাবালক ঘোষণা কৰা হয় আৰু তেওঁৰ বিচাৰ প্ৰক্ৰিয়া পৃথক কৰা হয়। বিচাৰ আদালতে সহ অভিযুক্তক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২, আনহাতে আপীলকাৰী অভিযুক্ত দুয়োজনক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ অধীনত দোষী সাব্যস্ত কৰে। আপীলকাৰী–অভিযুক্ত সকলে তেওঁলোকৰ বিৰুদ্ধে হোৱা আদালতৰ ৰায়দানক প্ৰত্যাহ্বান জনাই, উচ্চ ন্যায়ালয়ে একেখিনি কথাই নিশ্চিত কৰে।

এই আপীলত আপীলকাৰীয়ে উত্থাপন কৰে যে, আপীলকাৰী আৰু সহঅভিযুক্তৰ মাজত উমৈহতীয়া উদ্দেশ্য থকাৰ প্ৰমান নাই, লগতে আপীলকাৰী নং ২ৰ গোচৰ জুভেনাইল জাস্তিচ(কেয়াৰ এন্দ প্ৰতেক্সন অফ ছিলদ্ৰেন),আইন ২০০০ৰ অধীনস্থ যিহেতু ঘটনাটো সংঘটিত হোৱাৰ সময়ত তেওঁৰ বয়স ১৭বছৰত কৈ কম আছিল।

**আদালতে আপীলটো নিষ্পত্তি কৰে**

আৰু উপস্থাপন কৰে যে, ১.১. দুয়োজন আপীলকাৰীৰ ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ আৰু ৩৪ অধীনত দোষী সাব্যস্তকৰণ কাম্য নহয়। মৃতকৰ মৃত্যুৰ কাৰণ আছিল- আগতে ঘটি যোৱা এটা ঘটনা য'ত এখন বিবাহৰ অনুষ্ঠানত অংশগ্ৰহন কৰা মহিলাক মদ্যপান কৰি অশালীন ব্যৱহাৰ কৰিছিল। উক্ত ঘটনাৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে মহিলাৰ মৰ্যাদাৰ ৰক্ষাৰ বাবে বিবাদৰ সৃষ্টি হৈছিল। উক্ত ঘটনাৰ আলম লৈ অভিযুক্তই পিছত মৃতকক প্ৰহাৰ কৰিছিল আৰু যেতিয়া তেওঁ পলাব চেষ্টা কৰিছিল, তেওঁক ধৰি আনি দুজন সহ অভিযুক্তই ছুৰিৰে গুৰুতৰভাৱে আঘাত কৰিছিল। [দফা ৯ ৫৮০-জি-এইচ-এ-চি]

১.২. যদিও, সহঅভিযুক্তৰ লগত ছুৰি থকাৰ কথাটো আপীলকাৰীৰ অৱগত আছিল, তথাপি এইটো প্ৰমাণিত নহয়, তাৰোপৰি ভুক্তভোগীক খেদি যোৱা আৰু কৰায়ত্ত কৰাত তেওঁলোকৰ ভূমিকা আৰু উদ্দেশ্যতো সম্ভৱত: এশিকনি দিয়া আছিল। কোনো উমৈহতীয়া উদ্দেশ্যৰ অভাৱত আপীলকাৰীক ধাৰা৩০২, ৩৪ অধীনত দোষী সাব্যস্ত কৰিব পৰা নাযায়। [দফা ৯ ৫৮১-বি-ডি]

১.৩ এই কথাত কোনো সন্দেহ নাই যে, বাদী নং ৫- অভিযোগকাৰী আৰু আন এজন প্ৰত্যক্ষদৰ্শী বাদী নং৭-ৰ প্ৰমান ভুক্তভোগীৰ মৃতদেহত হোৱা আঘাতৰ দ্বাৰা কৰবোৰেট(সমৰ্থন) কৰা হৈছিল, কিন্তু ইয়াৰ দ্বাৰাই আপীলৰ আপীলকাৰীৰ মাজত উমৈহতীয়া উদ্দেশ্য থকাৰ কথা প্ৰতিষ্ঠা নকৰে। [দফা ৯ ৫৮১-ডি-ই]

১.৪ আপীলকাৰীৰ ভুমিকাত ভাৰতীয় দণ্ডবিধিৰ ধাৰা৩০৪(খণ্ড১)ৰ বিধান সমুহ প্ৰযোজ্য হ'ব, ধাৰা৩০২, ৩৪ প্ৰযোজ্য নহয়। গতিকে ধাৰা

৩০২, ৩৪ৰ সলনি ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০৪(খণ্ড১) আৰু ৩৪লৈ সলনি কৰি দোষী সাব্যস্ত কৰিব লাগিব। [দফা ৯] [৫৮১-জি-এইচ;৫৮১-এ]

ভি. শ্ৰিধৰন -বনাম- কেৰালা ১৯৯২ চাপ্(৩)এচ. এচ. ছি. ২১-ত ভিত্তি কৰিছে।

২. আপীলকাৰী নং ১ৰ ক্ষেত্ৰত জুভেনাইল জাস্তিস(কেয়াৰ এন্দ প্ৰতেক্সন অফ ছিলদ্ৰেন)আইন, ২০০০ৰ ধাৰা ২০ৰ অধীনত জুভেনাইল জাস্তিস বৰ্ডলৈ প্ৰেৰণ কৰা হ'ব আৰু উক্ত আইনৰ বিধান মতে ধাৰা ১৫ৰ সংগতি ৰাখি বিচাৰ কৰা হ'ব আৰু তদন্ত আৰু বিচাৰ প্ৰক্ৰিয়া চলি থকাৰ সময়ত তেওঁ ইতিমধ্যে জিম্মাৰ সময় সম্পূৰ্ণ কৰিছে। [দফা ১১] [৫৮২-ডি-এফ]

*হৰি ৰাম-বনাম-ৰাজস্থান আৰু অন্যান্য* ২০০৯(৬)এচ.চি.এ.এল.ই. ৬৯৫ উল্লিখিত।

ৰায়ৰ উল্লেখ:

২০০৯(৬) এচ.চি.এ.এল.ই. ৬৯৫ উল্লিখিত।

১৯৯২ চাপ্ (৩) এস. চি. চি. ২১ দফা ৯-ত ভিত্তি কৰা হৈছে।

ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ: ফৌজদাৰী আপীল নং ২৮১/২০০৯

চণ্ডীগড়স্থিত পাঞ্জাব আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ যোৱা ৩০/১০/২০০৭ ৰ ফৌজদাৰী আপীল নং ১৩৫-দি. বি. /১৯৯৮ ৰ ৰায়দান আৰু আদেশ অনুসৰি-

আপীলকাৰীৰ পক্ষত ৰিশি মালহোত্ৰা।

উত্তৰদাতাৰ পক্ষত মনজিত সিং আৰু কমল মহন গুপ্তা।

ন্যায়ালয়ৰ ৰায় প্ৰদান কৰে।

ন্যায়াধীশ আলতামাস কবিৰৰ দ্বাৰা ১. অনুমতি প্ৰদান।

২. ইয়াত আপীলকাৰী ৰাজু আৰু মাংলিৰ সৈতে অনিল ওৰফে বাল্লি আৰু সুছা সিঙক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২, ৩৪ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ অভিযোগত বিচাৰৰ কাৰণে পঠোৱা হৈছে। অভিযুক্ত সুছা সিং নাবালক হোৱাৰ কাৰণে জুভেনাইল জাস্তিস বৰ্ডৰ অধীনত পৃথকে বিচাৰ কৰাৰ সিদ্ধান্ত হয়। আপীলকাৰী সকলক ভাৰতীয় দণ্ডবিধিৰ ধাৰা৩০২ আৰু ৩৪ৰ অধীনত দোষী সাব্যস্ত কৰি যাবজ্জীৱন কাৰাবাস, লগতে ৫০০০টকাৰ জৰিমনা বিহে অন্যথা ৩ বছৰৰ সশ্ৰম কাৰাবাসৰ শাস্তি দিয়ে। অনিল ওৰফে বাল্লিক ভাৰতীয় দণ্ডবিধিৰ ধাৰা৩০২ৰ অধীনত দোষী সাব্যস্ত কৰি আজীৱন কাৰাবাসৰ লগতে ৫০০০ টকাৰ জৰিমনা বিহে অন্যথা ৩ বছৰৰ সশ্ৰম কাৰাবাসৰ আদেশ দিয়ে। তেওঁক তাৰোপৰি আৰ্মস এক্টৰ ধাৰা২৫-ৰ অধীনত দোষী সাব্যস্ত কৰা হয় আৰু এক বছৰৰ কাৰণে সশ্ৰম কাৰাবাসৰ শাস্তি প্ৰদান কৰা হয়। অনিল ওৰফে বাল্লিৰ শাস্তি সমুহ সমান্তৰালকৈ চলাবলৈ আদালতে নিৰ্দেশ প্ৰদান কৰে।

৩. তিনিজন অভিযুক্তৰ মাজৰ অভিযুক্ত নং ১ আৰু ২, ক্ৰমে ৰাজু আৰু মাংলিয়ে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ আৰু ৩৪-ত তেওঁলোকক দোষী সাব্যস্ত হোৱাত প্ৰত্যাহ্বান জনায়।

৪. অধিবক্তা শ্ৰী ৰিশি মালহোত্ৰাই তেওঁলোকৰ পক্ষত যুক্তি দৰ্শাই যে, যিহেতু তেওঁলোকৰ মাজত তেনে কোনো হত্যাকাণ্ড সংঘটিত কৰাৰ উমৈহতীয়া উদ্দেশ্য থকাৰ তথ্য বা প্ৰমান নাই সেয়েহে, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ তেওঁলোকৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। শ্ৰী মালহোত্ৰাই যুক্তি দৰ্শাই যে, অভিযুক্ত সকলৰ বিপক্ষে অভিযোগ আছিল যে, মৃত ঈশ্বৰৰ ভাতৃ তথা অভিযোগকাৰী ছান্দু লাল (বাদী নং ৫) ৩১ মাৰ্চ ১৯৯৪ ৰ নিশা প্ৰায় ১০:৩০ মান বজাত চিনেমা চাই ঘৰলৈ আহি আছিল। তেওঁ যেতিয়া চৰকাৰী লাইফ ষ্টক ফাৰ্মৰ গেটৰ ওচৰ পাইছিল, আপীলকাৰীয়ে অনিল ওৰফে বাল্লি আৰু চুছা সিং-ৰ সৈতে মিলি তেওঁক ঘুচিয়াবলৈ আৰম্ভ কৰে। ইশ্বৰে নিজকে বচাবলৈ নিজৰ ঘৰৰ ফালে দৌৰ মাৰে যদিও, উমপ্ৰকাশৰ ঘৰৰ কাষত তেওঁক অভিযুক্ত কেইজনে আগুচি ধৰে। অভিযোগকাৰীৰ মতে ঘটনাটো সংঘটিত হোৱাৰ সময়ত তেওঁ উমপ্ৰকাশৰ ঘৰৰ কাষত উপস্থিত আছিল। তেওঁ কয় যে, ঘটনাটো সংঘটিত হোৱাৰ সময়ত অনিল ওৰফে বাল্লি আৰু চুছা সিং ছুৰিৰে সজ্জিত আছিল আৰু আনহাতে আপীলকাৰী সকল খালী হাতে আছিল। তেওঁ দাখিল কৰা এজাহাৰৰ মতে, ঈশ্বৰক খেদি খেদি ধৰাৰ পিছত, আপীলকাৰী ৰাজু আৰু মাংলিয়ে ঈশ্বৰক ধৰে আৰু অনিল ওৰফে বাল্লিয়ে ভুক্তভোগীৰ বুকুৰ বাওঁফালে ছুৰি সুমুৱাই দিয়ে। তেতিয়া ঈশ্বৰ মাটিত ঢলি পৰে আৰু অভিযুক্ত চুছা সিঙে ককালৰ সোঁফালে পিছফালৰ আৰু এবাৰ ছুৰি সুমুৱাই দিয়ে। ছান্দু লালে তেতিয়া চিঞৰ বাখৰ কৰাত অভিযুক্ত কেইজনে সেই ঠাইৰ পৰা পলাই যায়। ঈশ্বৰক চিকিৎসালয়লৈ নি প্ৰাণ বচাবলৈ চেষ্টা কৰা হৈছিল যদিও, ৰাস্তাতে তেওঁৰ মৃত্যু হয়।

৫. পিছত ভুক্তভোগীৰ শৰীৰৰ মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা

হয়। ১ এপ্ৰিল, ১৯৯৪ তাৰিখে পুৱা প্ৰায় ৯:৩০বজাত মৰনোত্তৰ পৰীক্ষা সম্পাদন কৰে- (বাদী নং ৮) - হিসছাৰৰ জেনেৰেল চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসা বিষয়া- ডা. শ্ৰীমতী কে. কে. নাৱাল আৰু ডা. পৱন জৈনে। মৰণোত্তৰ পৰীক্ষাত মৃত্যু একাধিক আঘাতৰ ফলত হোৱা প্ৰচুৰ ৰক্তক্ষৰণৰ কাৰণে হোৱা বুলি প্ৰকাশ পায়।

৬. শ্ৰী মালহোত্ৰাই যুক্তি দৰ্শাই যে, উপৰোক্ত প্ৰমাণৰ পৰা এইটো নিশ্চিত হয় যে, আপীলকাৰী আৰু অনিল ওৰফে বাল্লি আৰু চুছা সিঙৰ মাজত ঈশ্বৰক হত্যা কৰাৰ কোনো ধৰনৰ পুৰ্বচুক্তি নাছিল। শ্ৰী মালহোত্ৰাই কাৰণ দৰ্শাই যে, আপীলকাৰী জনৰ অনিল ওৰফে বাল্লি আৰু চুছা সিঙে হত্যাকাণ্ডটো সংঘটিত কৰিবলৈ লগত ছুৰি লৈ যোৱা সম্পৰ্কে অৱগত নাছিল। তেওঁ কয় যে, মৃতকক খেদি গৈ ধৰাৰ উদেশ্যটো আছিল- মৃতকক এশিকনি দিয়া যি ছুৰিকাঘাত কৰাৰ প্ৰাক্ মুহুৰ্তত অভিযুক্ত কেইজন আৰু মৃতকৰ মাজত হোৱা কথাৰ বিবাদৰ ফলত উদ্ভৱ হৈছিল। শ্ৰী মালহোত্ৰাই কয় যে, কথাৰ বিবাদ আৰু পৰৱৰ্তী ঘটনাৰ কাৰণ আছিল- পূৰ্বতে ৩১ মাৰ্চ ১৯৯৪ তাৰিখে হৈ যোৱা এটা ঘটনা য'ত পাৰ্বতীৰ পুত্ৰৰ বিয়া উপলক্ষে আয়োজন কৰা বন উৎসৱত উদ্ভৱ হৈছিল। উক্ত উৎসৱৰ অনুষ্ঠানত চৰকাৰী লাইভ ষ্টক ফাৰ্ম, হিচছাৰৰ ওচৰত কিছু মহিলাই সংগীতানুষ্ঠান পৰিবেশন কৰি আছিল আৰু তেতিয়া মৃতকে নিচাসক্ত হৈ উক্ত মহিলা সকলৰ লগত বেয়া আচৰণ কৰিছিল। শ্ৰী মালহোত্ৰাই কয় যে, সমস্ত ঘটনাৰ মুল কাৰণ আছিল- মৃত ঈশ্বৰে নিচাসক্ত হৈ উৎসৱত সংগীত পৰিবেশন কৰি থকা মহিলাক কৰা বেয়া আচৰণ, যিয়ে গৈ বিবাদলৈ ৰূপান্তৰিত হয় আৰু শেষত অভিযুক্ত নং ৩ আৰু ৪-য়ে মৃত

ব্যক্তিজনক ছুৰিকাঘাত কৰা ঘটনালৈ পৰ্যবসিত হয়। শ্ৰী মালহোত্ৰাই কয় যে, উক্ত হত্যাকাণ্ড সংঘটিত কৰাৰ কোনো ধৰণৰ পূৰ্ব পৰিকল্পনা বা উমৈহতীয়া উদ্দেশ্য নাছিল। গতিকে, আপীলকাৰীক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ ৰ অধীনত শাস্তি প্ৰদান কৰাটো সঠিক নহয়।

৭. আপীলকাৰী ৰাজুৰ সংক্ৰান্তত শ্ৰী মালহোত্ৰাই কয় যে ৩১-৩-১৯৯৪ ত যেতিয়া হত্যাকাণ্ডটো সংঘটিত হৈছিল, মাৰ্কশ্বিতৰ মতে তেওঁৰ জন্ম তাৰিখ হৈছে- ১৯৭৭ আৰু সেইমতে বয়স মাত্ৰ ১৭ বছৰীয়া, নাবালক আছিল। শ্ৰী মালহোত্ৰাই *হৰি ৰাম বনাম ৰাজস্থান আৰু অন্যান্য* [(২০০৯) ৬ স্কেল ৬৯৫]ৰ আদালতৰ ৰায়দানৰ প্ৰসংগত কয় যে, আপীলকাৰী নং ১-ক জুভেনাইল জাস্তিস(কেয়াৰ আৰু প্ৰতেক্সন অফ ছিলদ্ৰেন)আইন ২০০০-ৰ বিধান অনুসৰি নাবালক হিচাপে বিবেচনা কৰিব লাগে, আৰু সেই অনুসৰি আপীলকাৰী নং ১-ৰ ক্ষেত্ৰত প্ৰক্ৰিয়াবোৰ উক্ত আইনৰ বিধান অনুসৰি হ'ব লাগে।

৮. হাৰিয়ানা ৰাজ্যৰ হৈ অধিবক্তা শ্ৰী কমল মহন গুপ্তাই আপীলকাৰী নং ১-ৰ ক্ষেত্ৰত শ্ৰী মালহোত্ৰাই কৰা বক্তব্যক বিশেষ আপত্তি নকৰে আৰু আপীলকাৰী নং ১ ৰাজু নাবালক হোৱা বাবে ওপৰত কৰা অনুসন্ধানত নিজৰ সন্তুষ্টি ব্যক্ত কৰে। কিন্তু আপীলকাৰী নং ২ মাংলিৰ ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ আৰু ৩২ ৰ অধীনত দোষী সাব্যস্ত হোৱা কাৰ্য্যক শুদ্ধ বুলি শ্ৰী গুপ্তাই ব্যক্ত কৰে। লগতে শ্ৰী গুপ্তাই কয় যে, শ্ৰী মালহোত্ৰাই কোৱাৰ দৰে আপীলকাৰী নং ২-ৰ ভুমিকা নিৰ্দোষী নাছিল। আনহাতে উক্ত হত্যাৰ নেপথ্যত পাৰ্বতীৰ পুত্ৰৰ বিয়াত মহিলাক মৃতকে কৰা দুৰ্ব্যবৰহাৰেই কাৰক আছিল। এইটো কোৱা হয় যে, পৰৱৰ্তী ঘটনাটো য'ত

ঈশ্বৰে প্ৰাণ হেৰুৱাইছিল সেইটো হঠাতে সংঘটিত হোৱা নাছিল, পূৰ্বতে ঘটি যোৱা ঘটনাৰ লগত সম্পৰ্ক আছিল। তেওঁ কয় যে, আটাইকেইজনৰ উমৈহতীয়া উদ্দেশ্য থকাৰ কথাটো ইয়াতে প্ৰমাণিত হয় যে, যেতিয়া ঈশ্বৰে আঘাত পোৱাৰ পিছত পলাবলৈ চেষ্টা কৰিছিল, তেওঁক খেদি গৈ অভিযুক্ত ৪জন– ক্ৰমে আপীলকাৰী নং ২ আৰু ১–এ তেওঁক ধৰিছিল আৰু অনিল ওৰফে বাল্লিয়ে ছুৰিৰে আঘাত কৰিছিল যাৰ পৰিণতিতে মৃত্যু হৈছিল। শ্ৰী গুপ্তাই কয় যে, আপীলকাৰী নং ২ৰ শাস্তিত হস্তক্ষেপ নকৰি তেওঁৰ আপীলটো অগ্ৰাহ্য কৰিব লাগে।

৯. আমি নিজ নিজ পক্ষৰ হৈ দাখিল কৰা তথ্যবোৰ গ্ৰহন কৰাৰ পিছত আৰু আৰোপী পক্ষই দাখিল কৰা প্ৰমান সমুহ বিবেচনা কৰি আমি এই সিদ্ধান্তত উপনীত হৈছো যে, ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২ আৰু ৩৪–ৰ অধীনত দুইজন আপীলকাৰীক দোষী সাব্যস্ত কৰাটো প্ৰয়োজনীয় নহয়। উল্লেখ কৰা হৈছে যে, ঈশ্বৰৰ ওপৰত কৰা আঘাত যাৰ কাৰণে তেওঁৰ মৃত্যু হৈছিল, এই ঘটনাৰ কাৰণটো আছিল পূৰ্বতে পাৰ্বতীৰ ল'ৰাৰ বিয়াৰ অনুষ্ঠানত অংশগ্ৰহন কৰা মহিলাক মৃত ঈশ্বৰে নিচাসক্ত হৈ জোকাইছিল। ফলত তাৎক্ষণিক প্ৰতিক্ৰিয়া হিচাপে উক্ত মহিলাৰ গৰিমা ৰক্ষাৰ উদ্দেশ্যে বিবাদৰ সূত্ৰপাত হৈছিল। উক্ত ঘটনাৰ বাবেই পৰৱৰ্তি সময়ত অভিযুক্ত ব্যক্তি সকলে ঈশ্বৰক আঘাত কৰিছিল আৰু পিছত খেদি গৈ ধৰি অনিল ওৰফে বাল্লি আৰু চুছা সিঙে ছুৰিৰে গুৰুতৰভাবে আঘাত কৰিছিল। যদিওবা আপীলকাৰী সকলে অনিল আৰু চুছা সিঙে ছুৰি লৈ থকাটো জানিছিল, এই প্ৰমাণিত নহয় যে, তেওঁলোকে ভুক্তভোগীক খেদি যোৱা আৰু ধৰাৰ ভুমিকাটো এশিকনি দিয়াৰ উদ্দেশ্যে আছিল। কোনো

উমৈহতীয়া উদ্দেশ্যৰ অনুপস্থিতিত আপীলকাৰীসকলক ধাৰা ৩০২ আৰু ৩৪-ৰ অধীনত প্ৰদান কৰা শাস্তিক গ্ৰাহ্য কৰিব পৰা নাযায়। তাত কোনো সন্দেহ নাই যে, অভিযোগকাৰী- বাদী নং ৫ আৰু অন্য প্ৰত্যক্ষদৰ্শী-বাদী নং ৭ৰ প্ৰমাণক ভুক্তভোগীৰ শৰীৰৰ আঘাতৰ সৈতে কৰবোৰেটেদ (সমৰ্থন) কৰা গৈছিল। কিন্তু ইয়াৰ জৰিয়তে উমৈহতীয়া উদ্দেশ্যৰ কথা স্থাপন কৰিব পৰা নাযায়। আপীলকাৰীৰ অধিবক্তাই *ভি. শ্ৰিধৰন -বনাম- কেৰালা* ১৯৯২ চাপ্ (৩) এস. এস. ছি. ২১-ৰ উদ্‌ধৃতি দি কয় যে, য'ত আদালতে ঘৰত আৰম্ভ হোৱা কাজিয়া এটা ৰাস্তাত শেষ হোৱাটো অবিৰত ক্ৰম বুলি ধৰে, তাত আঘাতপ্ৰাপ্ত হ'লে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০৪(খণ্ড ১) প্ৰযোজ্য হয়, ধাৰা ৩০২ প্ৰযোজ্য নহয়। আনকি এই ঘটনাত মৃতকে শুভদিনত খাদ্য সামগ্ৰী লঠিয়াই পৰিস্থিতি উত্তেজিত কৰিছিল, তাৰপিছত দৌৰি পলাব লওঁতেই তেওঁক গুৰুতৰভাবে আঘাত প্ৰাপ্ত কৰা হৈছিল। সেই একেপ্ৰকাৰৰ ঘটনা ইয়াতো ঘটিছিল য'ত ঘটনাৰ আঁৰত মৃতকৰ বিবাহস্থলী কৰা আচৰণ আছিল আৰু ফলস্বৰূপ মৃত ব্যক্তিজনে গুৰুতৰ আঘাতৰ সন্‌মুখীন হৈছিল। তেওঁলোকৰ ভুমিকা সন্দৰ্ভত, আমাৰ দৃষ্টিত ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০৪(খণ্ড ১) প্ৰযোজ্য হ'ব, ধাৰা ৩০২, ৩৪ নহয়। সেয়েহে আপীলকাৰীৰ শাস্তিৰ বিৰুদ্ধে আপীলৰ সন্দৰ্ভত ভাৰতীয় দণ্ডবিধিৰ ৩০২, ৩৪ধাৰাৰ ঠাইত ধাৰা ৩০৪(খণ্ড ১), ৩৪ লৈ শাস্তি সলনি কৰিব লাগিব।

১০. গতিকে উক্ত আপীলত অনুমতি প্ৰদান কৰা হয় আৰু ভাৰতীয় দণ্ডবিধিৰ ধাৰা৩০২, ৩৪-ত প্ৰদান কৰা শাস্তিক আঁতৰাই ধাৰা৩০৪(খণ্ড ১০), ৩৪ লৈ সলনি কৰা হয়। আপীলকাৰী নং ২ক দুই বছৰৰ বাবে

কাৰাবাসৰ লগতে ৫০০টকাৰ জৰিমনা বিহা হয় অন্যথা উপৰঞ্চি ১৫ দিনৰ বাবে সশ্ৰম কাৰাবাস প্ৰদান কৰা হ'ব। আপীলকাৰী নং২-য়ে ফৌজদাৰী কাৰ্যবিধিৰ ধাৰা ৪২৮-ৰ অধীনত ইতিমধ্যে কাৰাবাসত পাৰ কৰা সময়ৰ ৰেহাই ল'ব পাৰিব।

১১. আপীলকাৰী নং১-ৰ সন্দৰ্ভত এই গোচৰ জুভেনাইল জাস্তিস বৰ্ডলৈ জুভেনাইল জাস্তিস (কেয়াৰ এন্দ প্ৰতেক্সন অফ ছিলদ্ৰেন) আইন ২০০০-ৰ ধাৰা ২০ৰ বিধান মতে পঠোৱা হওঁক, উক্ত আইনৰ বিধান মতে ধাৰা ১৫-ৰ সংগতি ৰাখি আৰু বিচাৰ আৰু তদন্তৰ সময়ত জিম্মাত থকা কালচোৱাক ধ্যানত ৰাখি বিচাৰ কৰা হওঁক। লগতে পঞ্জীয়কক এইটো নিৰ্দেশ দিয়া হয় যেন অনতিপলমে আপীলকাৰী নং ১-ৰ নথিপত্ৰসমুহ জুভেনাইল জাস্তিস বৰ্ডলৈ প্ৰেৰণ কৰক।

১২. সেই অনুসৰি আপীলৰ নিস্পত্তি কৰা হ'ল।

---

অনুবাদ: শ্ৰী কৰুণা পাটিৰ, অধিবক্তা

পৰীক্ষণ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and

shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"